# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-08-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। ৭৯ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকসন্ধ্যা আজি সন্ধিয়া ৭ বজাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ।

২। মুখ্যমন্ত্ৰী আয়ুষ্মান অসম যোজনা ৰূপায়ণৰ বাবে বাকী থকা ৩২৫ কোটি আৱণ্টনত ৰাজ্যিক মন্ত্ৰীসভাৰ অনুমোদন।

৩। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আজি নলবাৰীত বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কাৰ্যসূচী।

৪। বিটিচি পৰিষদীয় নিৰ্বাচনৰ বাবে ৰাজ্যিক নিৰ্বাচন আয়োগৰ ৫খন জিলাৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ।

**আৰু**

৫। ভাৰত-বাংলাদেশ সীমান্তত কাছাৰ আৰক্ষীৰ ৯ জন ৰোহিঙ্গীয়া অনুপ্ৰৱেশকাৰীক গ্ৰেপ্তাৰ।

০০০০০০

সমগ্ৰ দেশত কাইলৈ ৭৯ সংখ্যক স্বাধীনতা দিৱস উৎসাহ উদ্দীপনাৰে উদ্‌যাপন কৰা হ'ব। স্বাধীনতা দিৱসৰ প্ৰাক্‌ক্ষণত দেশৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণে হৰ ঘৰ তিৰংগা অভিযানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছে। এই অভিযানৰ অংশ হিচাপে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি নিজৰ বাসগৃহত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি স্বাধীনতা দিৱসৰ প্ৰাকসন্ধিয়া ৭ বজাত ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। ইয়াৰ পৰিপ্ৰেক্ষিতত সন্ধিয়া ৭ বাজি ১০ মিনিটত প্ৰচাৰিত অসমীয়া বাতৰি ৭ বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব। ৰাষ্ট্ৰপতিৰ ভাষণৰ অসমীয়া ভাষান্তৰ নিশা চাৰে ন বজাত প্ৰচাৰ কৰা হ'ব।

কাইলৈ পুৱা ৭ বজাত লালকিল্লাৰ পৰা স্বাধীনতা দিৱসৰ ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ পোনপটীয়া প্ৰচাৰৰ পৰিপ্ৰেক্ষিতত পুৱা ৭ বাজি ৫ মিনিটত প্ৰচাৰ হ'বলগীয়া অসমীয়া বাতৰি ৬ বাজি ৫০ মিনিটত কৰা হ'ব। একেদৰে এই অনুষ্ঠান প্ৰচাৰৰ বাবে কাইলে পুৱা ৭ বাজি ৫৫ মিনিটৰ উজনি অসমৰ বাতৰি প্ৰচাৰ কৰা নহ'ব।

স্বাধীনতা দিৱস উপলক্ষে কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ লালকিল্লাৰ প্ৰাচীৰৰ পৰা ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব আৰু এই উদ্‌যাপনত ৰাষ্ট্ৰক নেতৃত্ব দিব।

০০০০০০

স্বাধীনতা দিৱসৰ প্ৰাকমুহূৰ্তত বিভিন্ন জিলা প্ৰশাসনে উদযাপনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। প্ৰতিকূল বতৰৰ মাজতো স্বাধীনতা দিৱস উদযাপনৰ বাবে আৰক্ষী, অৰ্ধ-সামৰিক বাহিনী, গৃহৰক্ষী বাহিনীৰ উপৰি স্কাউট গাইডৰ দলে পেৰেডৰ অনুশীলন চলাই আছে। গুৱাহাটীৰ স্বাধীনতা দিৱসৰ মূল কাৰ্যসূচীৰ প্ৰস্তুতি সন্দৰ্ভত এয়া আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰা—-

**ভইচ (হেমন্ত বৰা)**

বৰাক উপত্যকাতো ৭৯ সংখ্যক স্বাধীনতা দিৱস ব্যাপক উৎসাহ-উদ্দীপনাৰে পালন কৰা হ'ব। এই সন্দৰ্ভত বিতং তথ্যৰ সৈতে আমাৰ শিলচৰৰ সংবাদদাতা আঁখিৰাণী দাস—

**ভইচ (আঁখিৰাণী দাস)**

সীমান্ত সুৰক্ষা সুনিশ্চিত কৰিবলৈ আৰু আইন-শৃংখলা বজাই ৰাখিবলৈ কাছাৰ জিলা প্ৰশাসনে ভাৰত-বাংলাদেশ সীমান্তত যাতায়ত আৰু কিছু পণ্যসামগ্ৰী পৰিবহণৰ ক্ষেত্ৰত পথৰ নিষেধাজ্ঞা আৰোপ কৰিছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই অনুসৰি জিলাখনৰ ভাৰত-বাংলাদেশ সীমান্তৰ ১ কিলোমিটাৰ এলেকাত সূৰ্যাস্তৰ পৰা সূৰ্য উদয়লৈকে কোনো লোকে আহ-যাহ কৰিব নোৱাৰিব। নিশাৰ ভাগত সুৰমা নদীত নাও চলাচলত বাধা আৰোপ কৰা হৈছে। মানকাচৰ জিলাতো বাংলাদেশ সীমান্তৱৰ্তী বৰাইৰ আলগাত আৰক্ষীয়ে ব্ৰহ্মপুত্ৰত নাৱেৰে সুৰক্ষা ব্যৱস্থাৰ ওপৰত চোকা দৃষ্টি ৰাখিছে।

স্বাধীনতা দিৱসৰ প্ৰতি লক্ষ্য ৰাখি গোৱালপাৰা জিলা আৰক্ষী প্ৰশাসনেও নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। জিলাখনৰ অসম-মেঘালয় সীমান্তৰ স্পৰ্শকাতৰ এলেকাসমূহতো আৰক্ষীয়ে চোকা দৃষ্টি ৰাখিছে।

০০০০০০

স্বাধীনতা দিৱস উপলক্ষে যোৱা ২ আগষ্টৰ পৰা কেন্দ্ৰীয় চৰকাৰে আৰম্ভ কৰা **হৰ ঘৰ তিৰংগা** অভিযানৰ অধীনত ৰাজ্যৰ বিভিন্ন জিলাত প্ৰশাসনে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত এই অভিযানৰ সৈতে সংগতি ৰাখি ৰাজ্যজুৰি শোভাযাত্ৰা, ত্ৰিৰংগ সমলয় আদি অনুষ্ঠিত হৈছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত কালি অনুষ্ঠিত কেন্দ্ৰীয় কাৰ্যসূচীত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড় জিলাত এই অভিযানত অংশ লয়। ডিব্ৰুগড় লোকসভা সমষ্টিক প্ৰতিনিধিত্ব কৰা শ্ৰীসোণোৱালে জিলাখনৰ বিজেপিৰ প্ৰাক্তন সভাপতি আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ হৰেন্দ্ৰ নাৰায়ণ দত্ত, বিশিষ্ট লোকশিল্পী ৰামচন্দ্ৰ ছাঁচনী, ডিব্ৰুগড়ৰ আৰ এছ এছৰ প্ৰতিষ্ঠাপক সভাপতি-জ্যেষ্ঠ অধিবক্তা অসীম দত্তৰ ঘৰলৈ গৈ তেওঁলোকক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে একোখনকৈ ৰাষ্ট্ৰীয় পতাকা উপহাৰ দি এই অভিযানত তেওঁলোকৰ অংশগ্ৰহণৰ বাবে আহ্বান জনায়। তেওঁ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মনত দেশপ্ৰেমৰ ভাব জগাই তোলাৰ উদ্দেশ্যে তেওঁলোকৰ মাজত ৰাষ্ট্ৰীয় পতাকাও বিতৰণ কৰে।

বজালী জিলাতো হৰ ঘৰ তিৰংগা অভিযানৰ অধীনত বিজেপিৰ বজালী জিলা সমিতিৰ উদ্যোগত ৰাষ্ট্ৰীয় পতাকা বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত সৰ্বসাধাৰণ ৰাইজৰ মাজত এহেজাৰখন ত্ৰিৰংগ পতাকা বিতৰণ কৰা হয়। গোৱালপাৰা, হোজাই, শিৱসাগৰ, যোৰহাটকে ধৰি অন্যান্য জিলাসমূহতো **হৰ ঘৰ তিৰংগা** অভিযানৰ বিভিন্ন কাৰ্যসূচী ৰূপায়ণৰ খবৰ আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই স্বাধীনতাৰ ৭৮ বছৰ পূৰ্ণ হোৱা উপলক্ষে প্ৰচাৰ কৰি অহা অনুষ্ঠানমালাৰ অংশ হিচাপে অহা ১৬ আগষ্ট শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। **"স্বাধীনতাৰ প্ৰত্যাশা-কি পালো, কি নাপালো"** শীৰ্ষক এই অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন স্থানৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে স্বৰাজোত্তৰ কালৰ অভিজ্ঞতা ব্যক্ত কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

ৰাজ্যিক মন্ত্ৰীসভাই ৰাজ্যিক মন্ত্ৰীসভাই ২০২৫-২৬ বৰ্ষত মুখ্যমন্ত্ৰী আয়ুষ্মান অসম যোজনা ৰূপায়ণৰ বাবে বাকী থকা ৩২৫ কোটি আৱণ্টনত অনুমোদন জনাইছে। সকলোৰে বাবে গুণগত স্বাস্থ্যসেৱা নিশ্চিতকৰণৰ লক্ষ্যৰে হিতাধিকাৰীসকলক নগদ বিহীন চিকিৎসা সেৱা প্ৰদান ব্যৱস্থা অব্যাহত ৰাখিবলৈ এই পদক্ষেপ লোৱা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি দিছপুৰত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকত

জনসাধাৰণক সুলভ মূল্যত বিদ্যুৎ যোগানৰ বাবে কয়লা মন্ত্ৰালয়ৰ পৰা ৫০০ মেগাৱাট শক্তি ক্ৰয় কৰিবলৈ অনুমোদন জনায়। তদুপৰি মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত ধুবুৰী আৰু বিশ্বনাথত পুনৰ শ্ৰেণী বিভাজন আৰু অনাকৃষি কাৰ্যৰ বাবে ৮টা প্ৰস্তাৱত মন্ত্ৰীসভাই অনুমোদন জনায়। উদ্যোগসমূহৰ উন্নয়নৰ সুবিধাৰ্থে মন্ত্ৰীসভাই অসম সমন্বিত ভৱন নিৰ্মাণ নিয়ামক উপবিধি ২০২২ সংশোধনীতো অনুমোদন জনাইছে। মন্ত্ৰীসভাই কাৰ্বিং আলঙত এহেজাৰ ৫০০ মেগাৱাট পাম্প ষ্টৰেজ প্ৰকল্পৰ বাবে অনুমোদন জনায়।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নলবাৰী জিলাত বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ১১৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া নগৰীয়া পানী যোগান আঁচনি, ৩১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া ধমধমা দক্ষতা প্ৰশিক্ষণ প্ৰতিষ্ঠান, ৭৭ কোটি টকা ব্যয় সাপেক্ষে ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ সহায়ত নিৰ্মাণ কৰিবলগীয়া ঘগ্ৰাপাৰ পথ উৰণ সেতু, অসম স্থিতিস্থাপক গ্ৰাম্য সেতু কাৰ্যসূচীৰ অধীনত নিৰ্মাণ কৰিবলগীয়া ৫৯ কোটি টকা ব্যয় সাপেক্ষ ৮ খন দলঙকে ধৰি ২০টা নতুন প্ৰকল্পৰ আজি মুখ্যমন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰিব। ইয়াৰ লগতে তেওঁ ৬৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা বৰকুৰা পথ উৰণ সেতু আৰু ৫০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা গোপাল বজাৰ, বালিতাৰা, চতমা, মিলন বজাৰ উপকেন্দ্ৰকে ধৰি ৭টা উন্নয়ন প্ৰকল্পৰ উদ্বোধন কৰিব।

ইফালে মুখ্যমন্ত্ৰীয়ে কালি কোকৰাঝাৰত সাংবাদিকৰে মত বিনিময় কৰি ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত ৰোগী ভৰ্তি হোৱাৰ সময়ত ১০ হাজাৰ টকা আগধন হিচাপে জমা দিয়াৰ ব্যৱস্থা প্ৰত্যাহাৰ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে বুলি মন্তব্য কৰে। প্ৰতিষ্ঠানখনৰ মাচুল বৃদ্ধিৰ সিদ্ধান্তক লৈ ৰাজ্যজুৰি সৃষ্টি হোৱা প্ৰতিক্ৰিয়া সন্দৰ্ভত মত ব্যক্ত কৰি তেওঁ এই বিষয়ত কিছু ভুল বুজাবুজি হোৱা বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত বৰ্ধিত মাচুল জনসাধাৰণে দিব নালাগে বুলি মন্তব্য কৰি আয়ুষ্মান ভাৰত আৰু আয়ুষ্মান অসম কাৰ্ডত চৰকাৰে এই ধন জমা দিব বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে।

ৰাজ্য চৰকাৰে জনজাতি সম্প্ৰদায়ৰ উন্নয়নৰ বাবে অহৰ্নিশে কাম কৰি আছে বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে ট্ৰাইবেল বেল্টৰ সৈতে আপোচ কৰা নহ'ব বুলি মন্তব্য কৰে। তেওঁ ৰাজ্যত কোনো ট্ৰাইবেল বেল্ট ভাঙি দিয়া নহয়, বৰং ৬০০ খন নতুন ট্ৰাইবেল বেল্ট আৰু ব্লক গঠনৰহে প্ৰস্তাৱ দিয়া হৈছে বুলিও স্পষ্ট কৰি দিয়ে।

০০০০০০

বিটিচি পৰিষদীয় নিৰ্বাচনৰ বাবে ৰাজ্যিক নিৰ্বাচন আয়োগে কালি চলিত বছৰৰ ১ জানুৱাৰীক ভিত্তি হিচাপে লৈ বিটিচিৰ ৫ খন জিলাৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰে। চিৰাং, কোকৰাঝাৰ, বাক্সা, তামুলপুৰ আৰু ওদালগুৰি জিলাৰ ফটোযুক্ত চূড়ান্ত ভোটাৰ তালিকা কালি প্ৰকাশ কৰা হয়। চূড়ান্ত তালিকা অনুসৰি বিটিচিৰ ৪০টা পৰিষদীয়া সমষ্টিত ২৬ লাখ ৫৮ হাজাৰৰো অধিক ভোটদাতা আছে। ইয়াৰে ১৩ লাখ ২৩ হাজাৰ ৬০০ৰো অধিক আৰু ১৩ লাখ ৩৪ হাজাৰ ৭০০ অধিক মহিলা ভোটদাতা আছে। নিৰ্বাচনৰ বাবে ৩ হাজাৰ ২৭৯টা ভোটগ্ৰহণ কেন্দ্ৰ থাকিব। যোৱা ২২ জুলাইত খচৰা ভোটাৰ তালিকা প্ৰকাশ পোৱাৰ পিছত জনসাধাৰণৰ ৫ হাজাৰ ৩৮৭টা ওজৰ-আপত্তি নিষ্পত্তি কৰি কালি চূড়ান্ত তালিকা প্ৰকাশ কৰা হয়।

কোকৰাঝাৰ জিলাতো কালি এই তালিকা প্ৰকাশ কৰা হয়। জিলাখনত ৯১৩টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। কোকৰাঝাৰত ৭ লাখৰো অধিক ভোটদাতা আছে। ইয়াৰে ৩ লাখ ৫০ হাজাৰ ৪০০ৰ অধিক পুৰুষ আৰু ৩ লাখ ৫০ হাজাৰ ৩০০ৰ অধিক মহিলা ভোটদাতা। জিলাখনৰ ফকিৰগ্ৰাম পৰিষদীয় সমষ্টিত সৰ্বাধিক ৭৫ হাজাৰৰো অধিক আৰু শ্ৰীৰামপুৰত সৰ্বনিম্ন ৪৭ হাজাৰৰো অধিক ভোটদাতা আছে।

ইপিনে চিৰাং জিলাৰ অন্তৰ্গত ৭টা পৰিষদীয় সমষ্টিৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। এইবাৰ চিৰাং জিলাৰ ৭টা পৰিষদীয় সমষ্টিৰ মুঠ ভোটাৰৰ সংখ্যা হৈছে ৩ লাখ ৯৮ হাজাৰ ৬৪৩ গৰাকী। ইয়াৰে এক লাখ ৯৮ হাজাৰ ৩৩২ জন হৈছে পুৰুষ ভোটাৰ। মহিলা ভোটাৰৰ সংখ্যা ২ লাখ ৩০৯ গৰাকী বুলি জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

000000

কাচাৰ জিলাৰ কাটিগড়াৰ ভাৰত-বাংলাদেশ সীমান্তৰ পৰা কালি আৰক্ষীয়ে ৯ জন ম্যানমাৰৰ ৰোহিংগিয়া সম্প্ৰদায়ৰ লোকক গ্ৰেপ্তাৰ কৰে। এই লোককেইজন ১৩ বছৰ পূৰ্বে অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰা বুলি অভিযোগ উঠিছিল। আটকাধীন লোককেইজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে আৰু কৰ্তৃপক্ষৰ নিৰ্দেশ মৰ্মে তেওঁলোকক বিতাড়নৰ ব্যৱস্থা কৰা হ'ব বুলি জানিব পৰা গৈছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, আটক কৰা লোকসকলৰ ভিতৰত দুজন পুৰুষ, দুগৰাকী মহিলা, এগৰাকী কিশোৰী আৰু চাৰিটি শিশু আছে। দেশৰ বিভিন্ন প্ৰান্তত বসবাস কৰাৰ পাছত শেহতীয়াকৈ এই লোককেইজন হায়দৰাবাদৰ পৰা কাচাৰলৈ আহিছিল। কাছাৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নোমল মাহাতাই প্ৰকাশ কৰা মতে, স্থায়ীভাৱে জিলাখনত বসতি কৰাৰ উদ্দেশ্যে তেওঁলোকে কাচাৰলৈ আহিছিল। এই লোককেইজনে জম্মু-কাশ্মীৰ, তেলেংগানাকে ধৰি বিভিন্ন ৰাজ্যত কাম কৰিছিল।

ধুবুৰী জিলাৰ গোলকগঞ্জ আৰক্ষীয়ে গোপনসূত্ৰৰ পমখেদি জিলাখনৰ ভাৰত-বাংলাদেশ সীমান্তৰ পৰা এজন যুৱকক কালি গ্ৰেপ্তাৰ কৰে। ধৃত যুৱকজনৰ পৰা বাংলাদেশৰ দুখন পতাকা, ছীম কাৰ্ড আৰু আপত্তিজনক নথি পত্ৰ জব্দ কৰা হৈছে। যুৱকজন ইমান হুছেইন বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। যুৱকজনৰ বিৰুদ্ধে এটা গোচৰ ৰুজু কৰি আৰক্ষীৰ বিশেষ কৰ্ম বাহিনীয়ে তদন্ত চলাই আছে।

000000

উত্তৰ গুৱাহাটীত কাইলৈ দুখন উন্নত মানসম্পন্ন ক্ৰীড়া একাডেমী মুকলি কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম ক্ৰিকেট সন্থাৰ ক্ৰিকেট একাডেমী আৰু গুৱাহাটী টাউন ক্লাবৰ ফুটবল একাডেমী মুকলি কৰিব। উত্তৰ গুৱাহাটীৰ ফুলুং ডেকাবাৰীত ৪০ বিঘা ভূমি সামৰি একাডেমী দুখন নিৰ্মাণ কৰা হৈছে। ইয়াত খেলুৱৈসকলৰ বাবে আৱাস গৃহ, জীম, পেভিলিয়ন, ইন্দোৰ ষ্টেডিয়াম, খেলপথাৰকে ধৰি সকলো ধৰণৰ সা-সুবিধা ৰখা হৈছে। এই একাডেমী দুখন পৰিদৰ্শন কৰি ভাৰতীয় ক্ৰিকেট সন্থাৰ সচিব দেৱজিৎ শইকীয়াই কালি কয়, যে দুয়োখন একাডেমীয়ে ৰাজ্যৰ ক্ৰীড়াক্ষেত্ৰত আমূল পৰিৱৰ্তনৰ সূচনা কৰিবলৈ সমৰ্থ হ'ব।

**-বাইট-**

000000

কাইলৈ অৰ্থাৎ **১৫** আগষ্টত অসম চুক্তি স্বাক্ষৰ হোৱাৰ ৪০ বছৰ পূৰ্ণ হব। চুক্তিৰ সকলো দফা ৰূপায়ণ নোহোৱাত ইয়াৰ অন্যতম স্বাক্ষৰকাৰী সদৌ অসম ছাত্ৰ সন্থাই উদিগ্নতা প্ৰকাশ কৰিছে। এই বাতৰিটো The Assam Tribune কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অসমত আইআইএম স্থাপনত কেন্দ্ৰীয় কেবিনেতে অনুমোদন জনাইছে। এই বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ভাৰত বাংলাদেশ সীমান্তৰে ব্যাপক হাৰত চোৰাং সামগ্ৰীৰ সৰবৰাহ চলি আছে। এই বাতৰিটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয়ৰ গৃহত বিলাসী হোটেল গঢ়ি উঠা সন্দৰ্ভত দৈনিক অগ্ৰদূত কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। Bodoland Territorial Council ৰ চূড়ান্ত ফটোযুক্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছে। এই বাতৰিটো আজি প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। জনজাতীয় বেল্ট ব্লক অক্ষত থাকিব আৰু বিধান সভা নিৰ্বাচনৰ পূৰ্বে ৬০০ ক্ষুদ্ৰ এনে বেল্ট ব্লক গঠন কৰা হব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণাৰ উদ্ধৃতিৰে অসমীয়া খবৰ আৰু নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। সাংবাদিকৰ সংবাদ লেখা বা ভিদিও পৰিবেশন ৰাষ্ট্ৰদ্ৰোহৰ কাৰণ

**হব নোৱাৰে বুলি উচ্চতম ন্যায়ালয়ে ৰায় প্ৰদান কৰিছে। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। CBSE য়ে কালি চলোৱা অভিযানত গুৱাহাটীৰ দুখন শিক্ষানুষ্ঠানকে ধৰি দেশৰ ১০ খন বিদ্যালয়ত ভুৱা নামভৰ্তিৰ জলিয়াতি পোহৰলৈ আহিছে। এই বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।**

oooooo

সত্ৰীয়া সংস্কৃতিৰ সাধক দক্ষিণ যোৰহাটৰ শ্ৰীশ্ৰীলেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ মোহন চন্দ্ৰ মহন্তৰ আজি পুৱতি নিশা বাৰ্ধক্যজনিত কাৰণত কৰঙাস্থিত নিজৰ বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৬ বছৰ। অসম আন্দোলনৰ সক্ৰিয় কৰ্মী আৰু সুদক্ষ নামাচাৰ্যজনৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকণিৰ সৈতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত